অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং : ৪২১
উত্তৰ দানৰ তাৰিখ –২২/০৭/২০২৬

*বিষয়:* **ASRLMৰ সখী সম্পৰ্কে**

বিধায়ক: শ্ৰীমৃণাল শইকীয়াঃ

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কিমান প্ৰকাৰৰ সখী ASRLMত অন্তৰ্ভুক্ত হৈ আছে ?

(খ) অসমত মুঠ কিমান সখী কৰ্মৰত হৈ আছে ?

(গ) তেওঁলোকৰ পাৰিতোষিক কি ধৰণৰ ?

(ঘ) এই সখীসকলে কি ধৰণৰ কামত নিয়োজিত হৈ থাকে ?

(ঙ) তেওঁলোকৰ কামৰ বোজা অনুসৰি মাননী কম, গতিকে তেওঁলোকক বছৰি এটা ভাট্টা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি?

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানত বৰ্তমান ১২ প্ৰকাৰৰ সখী অন্তৰ্ভূক্ত হৈ আছে।

(খ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানত মুঠ ২০৯১১ সখী কৰ্মৰত হৈ আছে।

(গ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত কৰ্মৰত সখীসকলে তেওঁলোকে আগবঢ়োৱা সেৱাৰ বিপৰীতে পাৰিতোষিক লাভ কৰে। বিভিন্ন প্ৰকাৰৰ সখীসকলে মাহিলী পাব পৰা সৰ্ব্বোচ্চ পাৰিতোষিকৰ নিৰিখ তলত দিয়া হ'ল-

| কেডাৰৰপ্ৰকাৰ | সৰ্ব্বোচ্চ মাহিলীপাৰিতোষিক (টকা) |
|---|---|
| জীৱিকা সখী | ১০,০০০ |
| কৃষি সখী | ৭,৫০০ |
| পশু সখী | ৭,৫০০ |
| সংযোগ সখী | ৭,৫০০ |
| চি আৰ পি- ই পি (CRP-EP) | ৭,৫০০ |
| বি ডি এচ পি (BDSP) | ৭,৫০০ |
| বেংক সখী | ৯,০০০ |
| বীমা সখী | ৭,৫০০ |
| মাষ্টাৰ বুক কিপাৰ (MBK) | ৫,০০০ |
| এম ছি পি প্ৰশিক্ষক (MCP Trainer) | ৫,০০০ |

| কেডাৰৰপ্ৰকাৰ | সৰ্ব্বোচ্চ মাহিলীপাৰিতোষিক (টকা) |
|---|---|
| বি চি সখী (BC Sakhi) | নিৰ্ধাৰিত পাৰিতোশিক নাই। তেওঁলোকে প্ৰতিনিধিত্ব কৰা বেংকৰ পৰা প্ৰদান কৰা সেৱা সমূহৰ বিপৰীতে মাহিলী নিৰ্ধাৰিত দৰত মাননি বা কমিশ্যন লাভ কৰে। |
| ডিজিপে' সখী (Digi Pay Sakhi) | নিৰ্ধাৰিত পাৰিতোশিক নাই। তেওঁলোকে প্ৰতিনিধিত্ব কৰা বিত্তীয় অনুস্থান (CSC e-Governance)-ৰ পৰা প্ৰদান কৰা সেৱা সমূহৰ তাৎক্ষণিক বা মাহিলী নিৰ্ধাৰিত দৰত মাননি বা কমিশ্যন লাভ কৰে। |

(ঘ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত কৰ্মৰত সখীসকলে আত্মসহায়ক গোটৰ সদস্যা সকলৰ উত্তৰণৰ বাবে বিভিন্ন ধৰণৰ সেৱা আগবঢ়াই আহিছে। সখীসকলে আগবঢ়োৱা মূখ্য সেৱাসমূহৰ তালিকা **পৰিশিষ্ট-১** ত উল্লেখ কৰা হ'ল।

(ঙ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত কৰ্মৰত সখী সকলৰ কামৰ বোজাৰ প্ৰতি লক্ষ্য ৰাখি ২০২৩ চনত সখীসকলৰ বিভিন্ন কাৰ্যৰ নিৰিখৰ লগতে মাহিলী সৰ্ব্বোচ্চ পাৰিতোষিক সংশোধনৰ লগতে বৃদ্ধি কৰা হৈছে।

( সংলগ্ন পত্ৰ সমূহ "**cms.neva.gov.in**" পোৰটেলত আপলোড কৰা হৈছে )
(Enclosures are uploaded in the "**cms.neva.gov.in**" portal.)

*******

## পৰিশিষ্ট-১

| কেডাৰৰ প্ৰকাৰ | নিৰ্ধাৰিত কাম |
|---|---|
| জীৱিকা সখী | ১) আত্ম-সহায়ক গোট (SHG), গ্ৰাম্য সংগঠন (VO) আৰু মণ্ডল পৰ্যায়ৰ সংগঠন (CLF)-ৰ গঠন, শক্তিশালীকৰণ আৰু নিয়মীয়া পৰিচালনাত সহায় কৰা।<br>২) SHG, VO আৰু CLF-ৰ গঠন, বৈধকৰণ, গ্ৰেডিং আৰু সক্ষমতা বৃদ্ধিৰ বাবে সহায় আগবঢ়োৱা।<br>৩) প্ৰতিষ্ঠান গঠন, আৰ্থিক অন্তৰ্ভুক্তি, জীৱিকা উন্নয়ন, সামাজিক উন্নয়ন আদি বিষয়ত প্ৰশিক্ষণ, সজাগতা আৰু সক্ষমতা বিকাশ কাৰ্যসূচী পৰিচালনা কৰা।<br>৪) মাইক্ৰ' ক্ৰেডিট প্লেন (MCP), Village Prosperity Resilience Plan (VPRP) আৰু অন্যান্য উন্নয়নমূলক পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰা।<br>৫) চৰকাৰী আঁচনি, বেংকিং সেৱা আৰু বিভিন্ন বিভাগৰ সৈতে সমন্বয় স্থাপন কৰি সদস্যাসকলক সুবিধা লাভ কৰাত সহায় কৰা।<br>৬) ক্ষেত্ৰ পৰ্যায়ত নিয়মীয়া পৰিদৰ্শন, তথ্য সংগ্ৰহ, অগ্ৰগতি নিৰীক্ষণ আৰু MIS-ত প্ৰতিবেদন দাখিল কৰা।<br>৭) CLF-ৰ আভ্যন্তৰীণ অডিট, সমবায় পঞ্জীয়ন, সুশাসন আৰু বিধি-নিয়ম পালন কৰাত সহায় কৰা।<br>৮) SHG, VO আৰু CLF-সমূহক স্বাৱলম্বী আৰু শক্তিশালী প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে নিয়মীয়া সহায় আৰু পৰামৰ্শ আগবঢ়োৱা। |
| কৃষি সখী | কৃষি সখী হৈছে এগৰাকী আত্ম-সহায়ক গোটৰ সদস্যা, যিয়ে কৃষি আৰু উদ্যান-শস্য পালনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কৃষি সখীৰ মূল কামস্সমূহ—<br>১) আত্ম-সহায়ক গোট (SHG), গ্ৰাম্য সংগঠন (VO) আৰু মণ্ডল পৰ্যায়ৰ সংগঠন (CLF)-ত কৃষি সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদান আৰু নিৰন্তৰ সহায় কৰা (শস্য কেলেণ্ডাৰ, বীজ শোধন-সংৰক্ষণ, মাটি পৰীক্ষা, জৈৱিক সাৰ প্ৰস্তুতি আদি)<br>২) কৃষি আৰু উদ্যান-শস্য কেন্দ্ৰিক উৎপাদক গোট (PG/LG) গঠন, পঞ্জীয়ন আৰু ব্যৱস্থাপনাত সহায় কৰা<br>৩) বিভিন্ন সজাগতা সভা, প্ৰশিক্ষণ আৰু জৰীপ পৰিচালনা কৰা<br>৪) লাইন বিভাগ, বেংক আৰু আন প্ৰতিষ্ঠানৰ সৈতে সংযোগ (convergence) স্থাপন কৰা<br>৫) খণ্ড সমন্বয়ক (Block Coordinator) আৰু CLFৰ সৈতে সমন্বয় ৰাখি, ক্ষেত্ৰ পৰিদৰ্শন কৰি নিৰ্ধাৰিত সেৱাসমূহ এখন গাঁৱৰ পৰা আনখনলৈ সম্প্ৰসাৰিত কৰাত সহায় কৰা। |
| পশু সখী | পশু সখী হৈছে এগৰাকী আত্ম-সহায়ক গোটৰ সদস্যা, যিয়ে পশুপালন আৰু ব্যৱস্থাপনাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পশু সখীৰ মূল কামসমূহ—<br>১) আত্ম-সহায়ক গোট (SHG), গ্ৰাম্য সংগঠন (VO) আৰু মণ্ডল পৰ্যায়ৰ সংগঠন (CLF)-ত পশুপালন সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদান আৰু নিৰন্তৰ সহায় কৰা (টিকাকৰণ/কৃমিনাশক কেলেণ্ডাৰ, পশুৰ বাসস্থান, খাদ্য প্ৰদান, স্বাস্থ্যবিধি, কৃত্ৰিম প্ৰজনন, প্ৰাথমিক চিকিৎসা আদি)<br>২) পশুপালন আৰু হাঁহ-কুকুৰা পালন কেন্দ্ৰিক উৎপাদক গোট (PG/LG) গঠন, পঞ্জীয়ন আৰু ব্যৱস্থাপনাত সহায় কৰা<br>৩) টিকাকৰণ শিবিৰ, প্ৰশিক্ষণ, সজাগতা সভা আৰু জৰীপ পৰিচালনা কৰা<br>৪) লাইন বিভাগ, বেংক আৰু আন প্ৰতিষ্ঠানৰ সৈতে সংযোগ (convergence) স্থাপন কৰা<br>৫) খণ্ড সমন্বয়ক (Block Coordinator) আৰু CLFৰ সৈতে সমন্বয় ৰাখি, ক্ষেত্ৰ পৰিদৰ্শন কৰি নিৰ্ধাৰিত সেৱাসমূহ এখন গাঁৱৰ পৰা আনখনলৈ সম্প্ৰসাৰিত কৰাত সহায় কৰা। |

| কেডাৰৰ প্ৰকাৰ | নিৰ্ধাৰিত কাম |
|---|---|
| সংযোগ সখী | ১) পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান (PRI) আৰু কমিউনিটি বেছড অৰ্গেনাইজেচন (CBO)-ৰ মাজত সমন্বয় স্থাপন কৰি PRI–CBO Convergence শক্তিশালী কৰা।<br>২) গ্ৰাম সভাত SHG, VO আৰু CLF-ৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰা আৰু VPRP-ৰ দাবীসমূহ GPDP-ত অন্তৰ্ভুক্ত কৰাত সহায় কৰা।<br>৩) চৰকাৰী আঁচনি, অধিকাৰ, সুবিধা, খাদ্য-পুষ্টি, স্বাস্থ্য, পৰিচ্ছন্নতা (WASH) আৰু লিংগ সমতা সম্পৰ্কে সজাগতা সৃষ্টি কৰা।<br>৪) SHG, VO, CLF, PRI সদস্য আৰু বিভিন্ন উপ-সমিতিৰ সক্ষমতা বৃদ্ধিৰ বাবে প্ৰশিক্ষণ আৰু অভিমুখীকৰণ কাৰ্যসূচী পৰিচালনা কৰা।<br>৫) বিভিন্ন চৰকাৰী বিভাগ আৰু অংশীদাৰৰ সৈতে সমন্বয় স্থাপন কৰি উন্নয়নমূলক সেৱা আৰু সুবিধা লাভ কৰাত সহায় কৰা।<br>৬) গ্ৰাম্য সংগঠন সমন্বয় সমিতি (VOCC), গাঁও পঞ্চায়ত সমন্বয় সমিতি (GPCC), বালসভা, নাৰী সুৰক্ষা কক্ষ আদি সামাজিক প্ৰতিষ্ঠানসমূহৰ কাৰ্যক্ষমতা শক্তিশালী কৰাত সহায় কৰা।<br>৭) ক্ষেত্ৰ পৰ্যায়ৰ তথ্য সংগ্ৰহ, সংকলন, প্ৰতিবেদন প্ৰস্তুত আৰু উন্নয়নমূলক কাৰ্যসূচীত জনগণক সংগঠিত কৰা।<br>৮) লিংগভিত্তিক সমস্যা, সামাজিক সুৰক্ষা আৰু অধিকাৰভিত্তিক বিষয়সমূহ সংশ্লিষ্ট প্ৰতিষ্ঠানলৈ প্ৰেৰণ (Referral) আৰু অনুসৰণ কৰা। |
| চি আৰ পি- ই পি (CRP-EP) | ১) অনা-কৃষি জীৱিকাৰ ওপৰত এছ.এইচ.জি (SHG) আৰু ভি.অ' (VO) সমূহৰ অৰিয়েণ্টেশ্যন (SHG/VO's orientation on Non-Farm livelihoods)।<br>২) উদ্যমী প্ৰশিক্ষণ আৰু সহায় (entrepreneur training and support)<br>৩) উদ্যমীসকলৰ বাবে ধাৰণা সৃষ্টিৰ প্ৰশিক্ষণ (entrepreneurs idea generation training)<br>৪) উদ্যমীসকলৰ বাবে ব্যৱসায়িক পৰিকল্পনা প্ৰস্তুতকৰণ (entrepreneurs idea generation training)<br>৫) ব্যৱসায় পৰিচালনা প্ৰশিক্ষণ (entrepreneurs idea generation training)<br>৬) গোটৰ সদস্যাৰ বাবে ব্যৱসায়িক পৰিকল্পনা প্ৰস্তুতকৰণত সহায় কৰা।<br>৭) গোটৰ সদস্যাৰ বাবে বজাৰ সংযোগীকৰণৰ সুবিধা।<br>৮) Enterprise start up support, market linkage support to enterprises.<br>৯) চি.ই.এফ (CEF), চি.আই.এফ (CIF) আৰু বেংক ঋণ আদিৰ জৰিয়তে বিত্তীয় সাহায্য প্ৰদান (finance facilitation through CEF, CIF and bank loans etc.)। |
| বি ডি এচ পি (BDSP) | ১) গোটৰ উদ্যমী সদস্যা সকলৰ বাবে ব্যৱসায়িক ধাৰণা সৃষ্টি (Business idea generation for entrepreneurs)<br>২) প্ৰতিষ্ঠানসমূহক সহায় কৰা (handholding support to enterprises)<br>৩) ব্যৱসায়িক পৰিকল্পনা প্ৰস্তুত কৰা (preparation of business plans)<br>৪) গোটৰ উদ্যমী সদস্যাৰ বাবে প্ৰশিক্ষণ (entrepreneur training)<br>৫) প্ৰতিষ্ঠানসমূহৰ আনুষ্ঠানিকীকৰণ (formalization of enterprises)<br>৬) প্ৰতিষ্ঠানসমূহক বজাৰ সংযোগৰ ক্ষেত্ৰত সহায় কৰা (market linkage support to enterprises)<br>৭) প্ৰতিষ্ঠানসমূহক বিত্তীয় সাহায্যৰ সুবিধা কৰি দিয়া (facilitating financial support to the enterprises)<br>৮) প্ৰতিষ্ঠানসমূহৰ বিকাশৰ গতি নিৰীক্ষণ কৰা (tracking the growth of the enterprises)। |

| কেডাৰৰ প্ৰকাৰ | নিৰ্ধাৰিত কাম |
|---|---|
| বেংক সখী | ১) SHG, SHGৰ সদস্যাসকল ,VO আৰু CLF-সমূহক বেংক একাউণ্ট খোলাত সহায় কৰা; SHG-সমূহক বেংক ঋণ লাভৰ বাবে বেলেন্স শ্বীট (Balance Sheet) আৰু মাইক্ৰো ক্ৰেডিট প্লেন (MCP) প্ৰস্তুত কৰাত সহায় কৰা;<br>৩) ঋণ আবেদনপত্ৰ পূৰণ কৰি বেংকত জমা দিয়াত সহায় কৰা;<br>৪) ঋণ মঞ্জুৰি সুনিশ্চিত কৰিবলৈ বেংকৰ শাখাসমূহৰ সৈতে নিয়মীয়া অনুসৰণ (Follow-up) কৰা; লগতে SHG-সমূহৰ মাজত বিত্তীয় পৰিকল্পনা (Financial Planning), সঞ্চয় (Savings), ঋণ (Credit) আদি বিষয়ত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে বিত্তীয় সাক্ষৰতা (Financial Literacy) প্ৰশিক্ষণ অনুষ্ঠিত কৰা। |
| বীমা সখী | ১) বীমা আৰু পেঞ্চনৰ প্ৰয়োজনীয়তা তথা গুৰুত্ব সম্পৰ্কে আত্ম সহায়ক গোটৰ সদস্যাসকলৰ মাজত সজাগতা সৃষ্টি কৰা।<br>২) বীমা আৰু পেঞ্চন আঁচনিৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত আত্ম সহায়ক গোটৰ ১০০% সদস্যাৰ "Risk coverage" নিশ্চিত কৰা।<br>৩) নামভৰ্তি (Enrolment), দাবী উত্থাপন (claim raising), দাবী নিষ্পত্তি (claim settlement) আৰু ইয়াৰ সৈতে জড়িত আবেদন পত্ৰ তথা নথি-পত্ৰ পূৰণ কৰাত আত্ম সহায়ক গোটৰ সদস্যাসকলক সহায় কৰা।<br>4) আত্ম সহায়ক গোটৰ সদস্যাসকলৰ মাজত জৰীপ বা বীমা মেপিং (Insurance mapping) চলোৱা। |
| এম বি কে (MBK) | ১) SHG, VO আৰু CLF-ৰ বুক কিপিং ব্যৱস্থা সঠিকভাৱে পৰিচালনা কৰাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা।<br>২) নগদ বহী, সঞ্চয় বহী, ঋণ বহী, উপস্থিতি বহী, কাৰ্যবিৱৰণী বহী আদি বিভিন্ন ৰেজিষ্টাৰ সংৰক্ষণৰ ওপৰত সহায় আগবঢ়োৱা।<br>৩) SHG, VO আৰু CLF-ৰ পদাধিকাৰী আৰু বুক কিপাৰসকলৰ দক্ষতা বৃদ্ধি কৰা।<br>৪) সঠিক হিচাপ-নিকাচ, নথি সংৰক্ষণ আৰু আৰ্থিক স্বচ্ছতা নিশ্চিত কৰাত সহায় কৰা।<br>৫) বুক কিপিংৰ ভুলসমূহ চিনাক্ত কৰি সংশোধনৰ বাবে নিয়মীয়া পৰামৰ্শ আৰু সহায় আগবঢ়োৱা।<br>৬) ASRLM-ৰ নিৰ্দেশনা অনুসৰি প্ৰশিক্ষণ আৰু সক্ষমতা বিকাশ কাৰ্যসূচীত Resource Person হিচাপে অংশগ্ৰহণ কৰা। |
| এম ছি পি (MCP) প্ৰশিক্ষক | ১) SHG সদস্যাসকলক Micro Credit Plan (MCP) প্ৰস্তুত কৰাৰ প্ৰশিক্ষণ প্ৰদান কৰা।<br>২) পৰিয়ালভিত্তিক জীৱিকা, সঞ্চয়, ঋণৰ প্ৰয়োজন আৰু বিনিয়োগৰ পৰিকল্পনা প্ৰস্তুত কৰাত SHG-সমূহক সহায় কৰা।<br>৩) SHG-সমূহক বাস্তৱভিত্তিক MCP প্ৰস্তুত আৰু ৰূপায়ণত হাতে-কলমে সহায় আগবঢ়োৱা।<br>৪) MCP-ৰ ভিত্তিত বেংক ঋণ, Community Investment Fund (CIF) আৰু অন্যান্য আৰ্থিক সহায় লাভৰ বাবে SHG-সমূহক সহায় কৰা।<br>৫) SHG সদস্যাসকলৰ আৰ্থিক পৰিকল্পনা, ঋণ ব্যৱস্থাপনা আৰু আয় বৃদ্ধি সম্পৰ্কে সক্ষমতা বৃদ্ধি কৰা।<br>৬) ASRLM-ৰ নিৰ্দেশনা অনুসৰি MCP প্ৰশিক্ষণ আৰু পৰিকল্পনা প্ৰস্তুতকৰণ কাৰ্যসূচীত Resource Person হিচাপে দায়িত্ব পালন কৰা। |
| বি চি সখী (BC Sakhi) | ১) গ্ৰামাঞ্চলত বেংকে ঢুকি নোপোৱা আৰু বেংকিং সেৱাৰ পৰা বঞ্চিত শ্ৰেণীৰ লোকৰ একাউণ্ট খোলাৰ লগতে বেংকিং সেৱা প্ৰদান,<br>২) সামাজিক সুৰক্ষা আঁচনি সমূহৰ পঞ্জীয়ণ কৰা আৰু প্ৰয়োজনীয় সেৱাৰ বিল পৰিশোধ কৰাত সহায় কৰা। |
| ডিজিপে' সখী | গ্ৰামাঞ্চলত বেংকে ঢুকি নোপোৱা আৰু বেংকিং সেৱাৰ পৰা বঞ্চিত শ্ৰেণীৰ লোকক বেংকিং সেৱা প্ৰদানৰ লগতে সামাজিক সুৰক্ষা আঁচনিৰ পঞ্জীয়ণ আৰু প্ৰয়োজনীয় সেৱাৰ বিল পৰিশোধ আদি কামত সহায় কৰা। |